**63 (FY)SEM–3/MAJ/ASMMAJ2024**

# 2025

# ASSAMESE

Paper : ASMMAJ2024

***(General Linguistics)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) ভাষাৰ প্ৰধান উপাদান কেইটা?

*(i)* তিনিটা

*(ii)* চাৰিটা

*(iii)* পাঁচটা

*(iv)* ছটা

(খ) পাশ্চাত্যৰ কোনদেশত পোনপ্ৰথম ভাষা-চিন্তা আৰু চৰ্চাৰ উন্মেষ ঘটে?

*(i)* ইংলণ্ডত

*(ii)* ফ্ৰান্সত

(iii) গ্ৰীচত

(iv) আমেৰিকাত

(গ) 'মানৱ বুদ্ধিমত্তাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন' বুলি কোন পাণিনিৰ 'অষ্টাধ্যায়ী' সম্পৰ্কে মন্তব্য আগবঢ়াইছিল?

(i) এৰিষ্টটল

(ii) প্লেটো

(iii) চাপিৰ

(iv) ব্লুমফিল্ড

(ঘ) অসমীয়া ভাষাত 'ম' ধ্বনিটো এটা-

(i) নাসিক্য ধ্বনি

(ii) কম্পিত ধ্বনি

(iii) ঔষ্ঠ ধ্বনি

(iv) দন্তমূলীয় ধ্বনি

(ঙ) 'ৰাতিপুৱা বেলি ওলালে সূৰ্যমুখী ফুল ফুলে' - এই বাক্যটো এটা –

(i) সৰল বাক্য

(ii) যৌগিক বাক্য

(iii) জটিল বাক্য

(iv) আদেশসূচক বাক্য

(চ) 'অৰ্থতত্ত্ব'ৰ ইংৰাজী প্ৰতিশব্দ 'Semantics' শব্দটো আহিছে -

(i) জাৰ্মান ভাষাৰপৰা

(ii) গ্ৰীক ভাষাৰপৰা

(iii) ফৰাছী ভাষাৰপৰা

(iv) লেটিন ভাষাৰপৰা

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)*

২×৫=১০

(ক) ভাষাসৃষ্টিৰ *যিকোনো দুটা* সূত্ৰ উল্লেখ কৰা।

(খ) 'আধুনিক ভাষাবিজ্ঞানৰ পিতৃপুৰুষ' বুলি কোনগৰাকী ভাষাবিদক আখ্যা দিয়া হৈছে? তেওঁ কোন দেশৰ ভাষাবিদ আছিল?

(গ) ভাষাবিজ্ঞান সম্পৰ্কীয় *দুখন* অসমীয়া গ্ৰন্থৰ নাম লিখা।

(ঘ) বাক্‌যন্ত্ৰ কি?

(ঙ) অৰ্দ্ধ-স্বৰধ্বনি কি? অসমীয়া ভাষাত এই ধ্বনিৰ উপস্থিতি আছেনে?

(চ) 'লিংগ প্ৰকৰণ' বুলিলে কি বুজা?

(ছ) বাক্য এটাৰ প্ৰধান ভাগ কেইটা আৰু কি কি?

৩। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা ঃ *(যিকোনো ছটা)*

৫×৬=৩০

(ক) ভাষা কাক বোলে? ভাষাৰ *তিনিটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) প্ৰাচ্যত ভাষাচৰ্চা কেতিয়া আৰু কেনেদৰে আৰম্ভ হয়? লিখা।

(গ) সময় আৰু প্ৰকৃতি অনুসৰি পাশ্চাত্যৰ ভাষাচৰ্চাৰ ধাৰাক কেইটা আৰু কি কি ভাগত ভাগ কৰিব পাৰি?

(ঘ) ঐতিহাসিক ভাষাবিজ্ঞান আৰু বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ ভেদ বিচাৰ কৰা।

(ঙ) ধ্বনিবিজ্ঞান কাক বোলে? ধ্বনিবিজ্ঞানৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰা।

(চ) অসমীয় স্বৰধ্বনিসমূহৰ *এখন* তালিকা প্ৰস্তুত কৰা।

(ছ) 'প্ৰাকৃতি' কাক বোলে? উদাহৰণসহ লিখা।

(জ) কাৰক আৰু শব্দবিভক্তি কাক বোলে? অসমীয়া ভাষাৰ কাৰক আৰু শব্দবিভক্তিৰ তালিকা প্ৰস্তুত কৰা।

(ঝ) 'অৰ্থবিস্তাৰ' কাক বোলে? উদাহৰণসহ লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×২=২৪

(ক) 'ভাষাবিজ্ঞান' কাক বোলে? ভাষাৰ আলোচনাক বিজ্ঞান আখ্যা দিয়াৰ কাৰণসমূহ ব্যাখ্যা কৰা। ২+১০=১২

(খ) 'ব্যাকৰণ' কাক বোলে? ব্যাকৰণ আৰু ভাষাবিজ্ঞানৰ পাৰ্থক্য নিৰ্ণয় কৰা। ২+১০=১২

(গ) উচ্চাৰণৰ স্থান অনুসৰি ব্যঞ্জনধ্বনিসমূহক কেইটা আৰু কি কি ভাগত ভাগ কৰিব পাৰি? ফঁহিয়াই লিখা। ১+৩+৮=১২

(ঘ) 'বাক্য' কাক বোলে? ভাষাৰ বিজ্ঞানসম্মত অধ্যয়নত আধুনিক ভাষাবিজ্ঞানীসকলে বাক্যৰ কোন *তিনিটা* বিষয়ত গুৰুত্ব আৰোপ কৰিছে? আলোচনা কৰা।

---